Sl. No. 407

A–DTN–K–JM–1

# ASSAMESE

( Compulsory )

| Time Allowed : Three Hours | Maximum Marks : 300 |
| --- | --- |

## INSTRUCTIONS

**Candidates should attempt ALL questions.**

**The number of marks carried by each question is indicated at the end of the question.**

**Answers must be written in Assamese, unless otherwise directed.**

**In the case of Question No. 3, marks will be deducted if the précis is much longer or shorter than the prescribed length.**

1. তলৰ যি কোনো এটা বিষয়ে ৩০০ শব্দৰ ভিতৰত এখন ৰচনা লিখা : 100

   *(a)* আইনে 'মৰ্যাদা-ৰক্ষা সম্পৰ্কীয় হত্যাকাণ্ড' বোধ কৰিব পাৰিবনে ?

   *(b)* খাদ্যবস্তু ভেজালকৰণৰ বিপদ

   *(c)* অন্ধবিশ্বাস আৰু বাস্তৱতা

   *(d)* শিক্ষা আৰু সামাজিক পৰিবৰ্তন

   *(e)* 'তথ্য আহৰণ স্বত্ব' আইনে নিকা আৰু ন্যায্য প্ৰশাসন নিশ্চিত কৰিব পাৰিবনে ?

2. তলত দিয়া গদ্যাংশ ভালদৰে পঢ়া আৰু গদ্যাংশৰ তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ কৰা। তোমাৰ উত্তৰ সুস্পষ্ট, শুদ্ধ আৰু সংক্ষেপ হ'ব লাগিব : 10×6=60

নবীকৰণযোগ্য শক্তিৰ সৰ্বাত্মক ছাতিৰ অংশ হিচাপে পৰিগণিত সৌৰশক্তিয়েই দীৰ্ঘকালৰ অন্তত মহাৰ্ঘ আৰু দুষ্প্ৰাপ্য হৈ পৰিব পৰা, খনিজ ইন্ধনৰ ওপৰত আমাৰ নিৰ্ভৰশীলতা কমোৱাৰ একমাত্ৰ উপায়। আমাৰ পৃথিৱীখনৰ পাৰিপাৰ্শ্বিক ভাৰসাম্য ৰক্ষা কৰা আৰু 'সেউজ-গৃহ'ৰ প্ৰভাৱ হ্ৰাস কৰাৰ কাৰণেও সৌৰশক্তিৰ প্ৰয়োগ কৰাটো যথেষ্ট উপাদেয়। সৌৰশক্তিৰ নানা ধৰণৰ গুণ বা উপাদেয়তা থকা সত্ত্বেও সৌৰশক্তিৰ ব্যৱহাৰ ব্যাপক হাৰত হোৱা নাই আৰু ই খনিজ ইন্ধনৰ বিকল্প হিচাপে এতিয়াও গ্ৰহণীয় হোৱা নাই। ইয়াৰ প্ৰধান কাৰণ হ'ল—এই প্ৰযুক্তিবিদ্যাৰ লগত ব্যয়-বহুলতা ঘনিষ্ঠভাৱে জড়িত। তথাপিও প্ৰতি বছৰে এই প্ৰযুক্তিবিদ্যাৰ চকুত লগা উন্নতি সাধিত হৈ আহিছে আৰু ইয়াৰ ফলত সৌৰশক্তিৰ উৎপাদন খৰচ কমি আহিব ধৰিছে আৰু ই, মন্থৰ গতিত হ'লেও, ব্যৱহাৰযোগ্য বিকল্প হিচাপে পৰিগণিত হ'ব ধৰিছে। এই দিশত আৰু অহৰহ পাব পৰা আৰু বিশুদ্ধ শক্তিৰ উৎস হিচাপে সৌৰশক্তিৰ ব্যৱহাৰৰ ক্ষেত্ৰত চৰকাৰী উদ্যোগত প্ৰতিষ্ঠিত 'জৱহৰলাল নেহেৰু জাতীয় সৌৰ মিচন' এক স্বপ্নদৰ্শী পদক্ষেপ।

কৰ্মসংস্থানৰ ক্ষেত্ৰতো সৌৰশক্তিৰ ব্যৱহাৰে এক উজ্জ্বল সম্ভাৱনা দাঙি ধৰিছে। এই খণ্ডই গৱেষণা আৰু প্ৰযুক্তিবিদ্যাৰ ন ন উদ্ভাৱনৰ ক্ষেত্ৰত যথেষ্ট পৰিমাণে বিনিয়োগ কৰিছে আৰু ন ন কৰ্মসংস্থানবো সৃষ্টি কৰিছে, যিয়ে পৰ্যাপ্ত পৰিমাণে দক্ষ আৰু উচ্চ-গুণসম্পন্ন কৰ্মশক্তি উৎপন্ন কৰিছে।

যদিও শক্তিৰ উৎপাদনৰ ক্ষেত্ৰত ভাৰতবৰ্ষ পৃথিৱীৰ দেশসমূহৰ ভিতৰত ষষ্ঠ স্থানত আছে, ভাৰতবৰ্ষত এতিয়াও শক্তিৰ সংকট যথেষ্ট ভয়াৱহ। সৌৰশক্তিৰ ব্যৱহাৰে এই সংকট বহু পৰিমাণে কমাব পাৰে। ইয়াৰ ফলত এটা বিশুদ্ধ পাৰিপাৰ্শ্ব-প্ৰণালী গঠিত হ'ব, যিয়ে সৌৰশক্তি উৎপাদনৰ চাহিদা প্ৰচুৰ পৰিমাণে বঢ়াব।

আজি সৌৰশক্তিৰ ক্ষেত্ৰত আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয় হ'ল—অধিক কাৰ্যক্ষম অভিযান্ত্ৰিক প্ৰণালীৰ আৰ্হি-প্ৰস্তুতি আৰু সৌৰশক্তি উৎপাদন কেন্দ্ৰ স্থাপন। এই উদ্যোগৰ আশু উন্নতিসাধনৰ নিমিত্তে অতিশয় প্ৰয়োজনীয় কথা হ'ল—সৌৰশক্তি উৎপাদন যন্ত্ৰৰ কাৰ্যক্ষমতা বৃদ্ধি কৰা, উৎপাদন ব্যয় হ্ৰাস কৰা আৰু প্ৰণালীৰ ভাৰসাম্য ৰক্ষাৰ খৰচ লাঘৱৰ জৰিয়তে সৌৰশক্তিৰ দাম ন্যূনতম কৰা।

(a) আমি কিয় খনিজ ইন্ধনৰ ওপৰত আমাৰ নিৰ্ভৰশীলতা কমোৱা প্ৰয়োজন ?

(b) সৌৰশক্তি ব্যৱহাৰৰ সুবিধা কি ?

(c) এতিয়ালৈ কিয় সৌৰশক্তিৰ ব্যৱহাৰ বৰ জনপ্ৰিয় হৈ উঠা নাই ?

(d) সাধাৰণ লোকে সৌৰশক্তি পাব পৰা কৰিবৰ কাৰণে কি কৰি থকা হৈছে ?

(e) সৌৰশক্তি খণ্ডই কেনেকৈ যুৱ-প্ৰজন্মৰ কাৰণে উচ্চ-দক্ষতাসম্পন্ন চাকৰি সৃষ্টি কৰিছে ?

(f) সৌৰশক্তিৰ প্ৰাপ্তি কেনেকৈ কম খৰচ-সাপেক্ষ কৰিব পৰা যায় ?

**3.** তলত দিয়া গদ্যাংশটো, ইয়াৰ এক-তৃতীয়াংশত, সংক্ষেপে লিখি উলিওৱা। ইয়াৰ কোনো শিৰোনামা দিব নালাগে। সংক্ষেপ-লিখনৰ উপৰোক্ত শব্দ-সীমা মানি নচলিলে নম্বৰ কটা যাব পাৰে। সংক্ষেপ-লিখনৰ কাৰণে সুকীয়াকৈ দিয়া কাগজতহে এই প্ৰশ্নৰ উত্তৰ কৰিবা। পাছত, সংক্ষেপ-লিখনৰ কাগজখিলা মূল উত্তৰ-বহীৰ ভিতৰত সুমুৱাই এৰাই যাব নোৱাৰাকৈ গাঁঠি দিবা : 60

যদি কলাই একো একোটা বিশেষ যুগক পৰিপ্ৰকাশ কৰিব লাগে, ই নিশ্চিতভাৱে বিগত যুগৰ সীমান্ত ৰেখা ভাঙি শিথিল কৰিব লাগিব আৰু পুৰণিকলীয়া কল্পনা-ব্যঞ্জিত আৰু মানসিকতাৰ চাপ বহন কৰা

গঢ় জোকাৰি পেলাব লাগিব। জীৱন এটা ধাৰাবাহিক প্ৰৱাহ। বিপ্লৱ সংঘটিত হোৱাৰ সময়ত—যি সময়ত পৰিবৰ্তন বৰ প্ৰবল আৰু ক্ৰান্তিকাৰী হয়—ইয়াৰ দ্ৰুততা বৃদ্ধি পায়। এনেকুৱা এটা সময়ত সামাজিক প্ৰয়োজনীয়তাই সংস্কৃতিৰ অঙ্গনত পুৰণি ধ্যান-ধাৰণা শিথিল কৰি নতুন ধাৰাৰ প্ৰৱৰ্তন কৰে, যিয়ে পুৰণি পৰম্পৰা আৰু নব্য উন্মেষৰ মাজত সংঘাতৰ সৃষ্টি কৰে। পৰিবৰ্তনলৈ ভয় কৰা, পুৰণি সংস্কৃতিৰ ধ্বজাবাহী ৰক্ষণশীল সমাজে স্থিতাৱস্থা বাহাল ৰাখিবৰ নিমিত্তে কৰা তেওঁলোকৰ প্ৰয়াসত নিজকে নৈতিকতা আৰু সভ্যতাৰ অভিভাৱক বুলি ঘোষণা কৰে আৰু নতুন যুগৰ জোঁৱাৰক ভেটা দিবলৈ আপ্ৰাণ চেষ্টা কৰে। আনহাতে, ৰূপান্তৰণৰ সমৰ্থকসকলে পুৰণি মানদণ্ড আৰু ৰীতি-নীতিক অমান্য নকৰি থাকিব নোৱাৰে। সামাজিক পৰিবৰ্তনৰ প্ৰতিটো স্থিতিয়েই এনে একোটা সাংস্কৃতিক ৰূপক আৱাহন কৰে, যিয়ে নিজৰ প্ৰয়োজনীয়তা পৰিপ্ৰকাশ কৰে, যেনেদৰে পুৰণি যুগে সৃষ্টি কৰা আওপুৰণি ৰীতি-নীতিয়ে নতুন যুগৰ আগমনৰ প্ৰাৱল্য আৰু কলা-কুশলতাক কামত খটুৱাব নোৱাৰে অথবা ইয়াৰ ভিতৰত নতুন আদৰ্শ প্ৰতিবিম্বিত কৰিব নোৱাৰে। এই সংঘৰ্ষত পুৰণি যুগৰ ৰীতি-নীতিৰ সংৰক্ষকসকলে পুৰণি সংস্কৃতিক নতুন সংস্কৃতিৰ গ্ৰাসৰ পৰা বচাবলৈ প্ৰায়েই সংস্কৃতিহীন আৰু বৰ্বৰ পদ্ধতি অনুসৰণ কৰে, যাক তেওঁলোকে নিজেই এসময়ত ঘৃণা আৰু নিন্দা কৰিছিল। এইটো সকলোৱে জনা কথা যে যেতিয়া কোনো এটা কাৰ্যশক্তিয়ে প্ৰগতিশীলতা হেৰুৱায়, ই প্ৰগতিৰ পৰিপন্থী হৈ পৰে। নতুন সমাজেহে কলাকাৰক সংস্কৃতি আৰু বিজ্ঞানৰ প্ৰতিটো বিভাগতে পূৰ্ণতম উন্নতি সাধনৰ কাৰণে পৰ্যাপ্ত সুবিধা প্ৰদান কৰিব পাৰে।

আজিৰ অসংগঠিত সমাজত জীৱনৰ সমন্বয় বা সংশ্লেষ সম্পূৰ্ণৰূপে ভাগি গৈছে। কিয়নো, আজিৰ সমাজত এটা শাখাৰ কাৰ্য-ক্ৰমণিকা আনটোতকৈ বেলেগ—বৈজ্ঞানিকতকৈ দাৰ্শনিক ভিন্ন, অভিযন্তাতকৈ কলাকাৰ ভিন্ন, আৰু এনেকৈ প্ৰতিটো আৰু সকলো শাখাই মহান অবিভাজ্য জীৱনৰ বিশাল শাখা-প্ৰশাখাতকৈ ভিন্ন, য'ত

প্ৰতিটোৰে একোটা প্ৰধান ভাৰসাম্য প্ৰদানকাৰী, সুন্দৰতা সংযোগকাৰী আৰু ছন্দোময়ী উপাদান। উদাহৰণস্বৰূপে আজি শক্তিচালিত যন্ত্ৰপাতিসমূহক কেৱল জ্যামিতিক চিত্ৰকল্প বুলি, প্ৰদূষিত বায়ু আৰু ধোঁৱা নিৰ্গতকাৰী যন্ত্ৰ বুলি আৰু প্ৰাণ-স্পন্দনহীন সৰঞ্জাম বুলি গণ্য কৰা নহয়; বৰং ইবোৰক শীঘ্ৰে, সহজে আৰু বহুলভাৱে ভূমিপৃষ্ঠৰ প্ৰাকৃতিক চিত্ৰপটৰ লগত মিলি যোৱা অথবা ওপৰৰ নভোমণ্ডলৰ লগত খাপ খোৱা বস্তু বুলি গণ্য কৰা হয়, যিবোৰ ঐতিহাসিক কাহিনীৰ নায়কৰ দৰে প্ৰাণৱন্ত হৈ বৰ্তি থাকে। আজি যন্ত্ৰ হৈ পৰিছে মানুহৰ সম্প্ৰসাৰিত অঙ্গ। মানুহে কেনেকৈ প্ৰাকৃতিক শক্তিৰ ওপৰত প্ৰভুত্ব বিস্তাৰ কৰিবলৈ লৈছে, প্ৰকৃতিৰ উপাদানসমূহক জয় কৰিব পাৰিছে, তাৰ ছবিহে এইবোৰে অংকিত কৰে। এই সংঘৰ্ষ মানুহৰ সমানেই পুৰণি আৰু এই সংঘৰ্ষ সুষমা, লয়, সংগীত আৰু ৰঙেৰে ভৰপূৰ।

যদি মানুহে নিজৰ দুৰ্বলতাবশতঃ যন্ত্ৰক মানুহৰ ওপৰত প্ৰভুত্ব বিস্তাৰ কৰিবলৈ দিয়ে, সেয়া যন্ত্ৰৰ দোষ নহয়, মানুহে সৃষ্টি কৰা বিসংগতি মাথোন। যন্ত্ৰক মানুহেই সৃষ্টি কৰে, মানুহেই ভাঙে। ই যিহেতু মানুহক ইয়াৰ বশ কৰিব পাৰে, কোনো কোনোৱে যন্ত্ৰৰ ওপৰত নিৰ্ভৰশীলতা কৰ্তন কৰে। ৰেডিঅ' হৈছে মানুহৰ হাঁওফাঁওৰে পৰিবৰ্ধন, টেলিস্কোপ চকুৰে সম্প্ৰসাৰণ। উৰাজাহাজৰ প্ৰতি ভ্ৰূকুটি কৰা আৰু গৰু গাড়ীৰ ঘিটঘিটনিৰ ওপৰত গান গোৱাটো কোনো কাব্যিক ন্যায় নহয়। ই ৰক্ষণশীল কুলীনতা মাথোন। এসময়ত নাঙলখনেই আছিল যুগজয়ী উদ্ভাৱন, এতিয়া যেনেকৈ ট্ৰেক্টৰখন। মানুহৰ নতুন নতুন যন্ত্ৰপাতি উদ্ভাৱনৰ যি প্ৰতিভা তাক অৱজ্ঞা কৰাটো প্ৰকৃতিৰ স্বাভাৱিক পৰিবৰ্তনৰ নিয়মক অৱজ্ঞা কৰাৰ সমান। কোনো প্ৰকৃত কলাকাৰে এনে কৰিব নোৱাৰে। প্ৰসিদ্ধ মেক্সিকোৰ কলাকাৰ ৰিভাৰে ডিয়োগোই কৈছে, "কলাকাৰে শাৰীৰিক কাৰ্য-কলাপতকৈ বেছিকৈ উৎপাদন কৰে, গছে যেনেকৈ প্ৰতি বছৰে ফুল-ফল উৎপন্ন কৰে। কিন্তু প্ৰতি বছৰে সেই ফুল-ফল মৰহি সৰি গলেও গছে দুখ নকৰে; কিয়নো পিছৰ বছৰত গছ আকৌ

ফুলে-ফলে জাতিষ্কাৰ হৈ উঠে।” কলাই কেৱল বাস্তৱ কি বা কি হ'ব পাৰে তাকে প্ৰকাশ নকৰি স্তূপীকৃত উচ্চাকাংক্ষাকহে পৰিপ্ৰকাশ কৰিব লাগে, হতাশজনক পৰাজয়ক প্ৰকাশিত নকৰি পৰিবৰ্তনমুখী সম্ভাৱনাক ফুটাই তুলিব লাগে।

4. তলত দিয়া গদ্যাংশ অসমীয়ালৈ অনুবাদ কৰা : 20

The world does not need extraordinarily talented people. It does not need highly skilled people either. It has plenty of super-intelligent people. We need ordinary people with extraordinary motivation. M. K. Gandhi was an ordinary man with amazing motivation to establish truth and justice. The Wright brothers were ordinary people with a dream of flying.

You can also achieve exceptional results if you are inspired with a higher ideal. Replacing 'inspiration' with 'information' has led to knowledge being viewed as drudgery rather than as pleasure. Education has degenerated to data being transmitted from teacher to the taught without igniting the minds of the young with a higher purpose.

How many of us wake up inspired, looking forward to a day of service? Who among us finds exhilaration in contributing to society? Life changes magically from boredom to excitement when you are inspired to serve. You redefine norms and achieve the impossible, paving the way to outstanding success. You find happiness at work, not in escaping from it. Most importantly, you evolve spiritually and attain Godhood.

Inspiration gives ordinary people the courage and hope to make life better for themselves and for the posterity. Find inspiration and life will transform into an exciting adventure of self-discovery.

**5.** তলত দিয়া গদ্যাংশ ইংৰাজীলৈ অনুবাদ কৰা : 20

আজি বিজ্ঞানৰ সামাজিক দায়বদ্ধতাৰ বিষয়ে ক'বলৈ গৈ মই সেইবোৰ বিষয়ে কম, যিবোৰ যুৱক-যুৱতীসকলৰ কাৰণে বুজিবলৈ সহজ কিন্তু বয়সীয়াল মানুহৰ কাৰণে কঠিন। ইয়াৰ কাৰণ এয়েই যে ডেকা বয়সত মানুহ এনে কিছুমান গুণৰ অধিকাৰী হয়, যিবোৰ বয়স বঢ়াৰ লগে লগে কমি যায়। এনে এটা গুণ হ'ল কল্পনা। কল্পনা এনে এটা গুণ যিটো বিজ্ঞানৰ এক অবিচ্ছেদ্য অঙ্গ। স্বাভাৱিকতে ডেকা বয়সত মানুহে এই গুণ ধাৰণ কৰে। এইটো এনে এটা গুণ, যিটো, দুখৰ কথা, বয়স বঢ়াৰ লগে লগে জলীয় ভাপৰ দৰে আপোনা আপুনি নোহোৱা হৈ যায়। তথাপি ই এটা এনে গুণ যিটো বৰ্তমান সময়ৰ অসুখী পৃথিৱীৰ কাৰণে অতিশয় প্ৰয়োজনীয়।

যোৱা তিনি শতিকাত বিজ্ঞানৰ আবিষ্কাৰে সমাজৰ ওপৰত যথেষ্ট প্ৰভাৱ পেলাইছে। কিন্তু সামগ্ৰিকভাৱে মানুহে এতিয়াও বুজি পোৱা নাই—কেনেকৈনো বিজ্ঞানে আমাৰ পৃথিৱীখনক প্ৰভাৱান্বিত কৰিছে অথবা মানুহে এতিয়াও সেই কথা জানিবলৈ ইচ্ছা কৰা নাই। নিউটনৰ সময়ৰ পৰাই মানুহে উপলব্ধি কৰিবলৈ ধৰিছে যে বিজ্ঞানৰ আধাৰত প্ৰতিষ্ঠিত প্ৰযুক্তিবিদ্যাৰ জৰিয়তে মানুহে নিজৰ জীৱনত আৰাম আৰু লাভ ভোগ কৰিব পাৰিছে। এতিয়া মানুহে উপলব্ধি কৰিব ধৰিছে যে ঔষধৰ ক্ষেত্ৰত বিজ্ঞানৰ প্ৰয়োগ কৰি মানুহ দীৰ্ঘদিন জীয়াই থাকিব পাৰিব।

লিওনাৰ্ড দা ভিঞ্চিৰ সময়ৰ পৰা মানুহে বুজিব পাৰিছে যে বিজ্ঞানে মানুহক যুদ্ধত জয়লাভ কৰিবৰ কাৰণে বৈষয়িকভাৱে সহায় কৰিব পাৰে। বহুৰ বাগৰাৰ পিছত প্ৰযুক্তিবিদ্যাজনিত বস্তুবাদে গা কৰি উঠিছে; নতুন কাৰিকৰী জ্ঞানৰ চাহিদা ব্যাপক হৈ উঠিছে; অধিক সংখ্যক মানুহ বৈজ্ঞানিক আৰু প্ৰযুক্তিবিদ্যাবিদ হৈ পৰিছে।

6. *(a)* তলৰ যি কোনো পাঁচটা শব্দ/জতুৱা খণ্ডবাক্যৰ অৰ্থ লিখি, প্ৰত্যেকটোৰে একোটা বাক্য ৰচনা কৰা : 2×5=10

*(i)* আটোম টোকাৰি

*(ii)* হাত লৰ

*(iii)* চকু পোৰা

*(iv)* অনায়াসে

*(v)* লেবেজান

*(vi)* নিমাখিত

*(vii)* খাই পাত ফলা

*(viii)* থৰকাছুতি

*(ix)* উগুল-থুগুল

*(x)* চালে চকু ৰোৱা

*(b)* তলৰ যি কোনো পাঁচটা শব্দৰ বিপৰীতাৰ্থক শব্দ লিখি, বিপৰীতাৰ্থক প্ৰতিটো শব্দেৰে একোটা বাক্য ৰচনা কৰা : 2×5=10

*(i)* ছুটি

*(ii)* ক'লা

*(iii)* ডাঙৰ

*(iv)* শকত

*(v)* তৰাং

*(vi)* বহল

*(vii)* ঘন

*(viii)* ধনী

*(ix)* শীতল

*(x)* চোকা

*(c)* তলৰ যি কোনো চাৰিটা প্ৰবচনৰ ভাব-সম্প্ৰসাৰণ কৰা : 5×4=20

*(i)* হৰিণাৰ মাংসই বৈৰী।

*(ii)* উপদেশতকৈ আৰ্হি ভাল।

*(iii)* ম'হতকৈ শিং চৰা।

*(iv)* মহন্তৰ চিন মাহনিত।

*(v)* কাকনো বুলিবা ককা,
সকলোৰে দাড়ি চুলি পকা।

*(vi)* দহো আঙুলিয়ে খায়,
বুঢ়াই হেচুকিলেহে যায়।

*(vii)* এনেয়ে বুঢ়ী নাচনী,
তাতে নাতিনিয়েকৰ বিয়া।

*(viii)* মিছা কথাৰ ঠেং চুটি।

★ ★ ★